আৰবিআই/২০১৬-১৭/৮২
ডিজিবিএ.জিএডি.৮৮১/১৫.০২.০০৫/২০১৬-১৭

১৩ অক্টোবৰ,২০১৬

অধ্যক্ষ/মুখ্য কাৰ্যবাহী বিষয়া
এজেন্সি বেংকসমূহ, যিয়ে ৰাজহুৱা ভৱিষ্য নিধি,
কিষাণ বিকাশ পত্ৰ-২০১৪, সুকন্যা সমৃদ্ধি একাউন্ট, জ্যেষ্ঠ
নাগৰিক সঞ্চয় আঁচনি-২০০৪ৰ ব্যৱসায়িক লেনদেন কৰে

মহাশয়/মহাশয়া,

**ক্ষুদ্ৰ সঞ্চয় আঁচনিৰ বাবে সংশোধিত সুদৰ হাৰ**

ওপৰোক্ত বিষয় সন্দৰ্ভত আমাৰ চাৰ্কুলাৰ ডিজিবিএ.জিএডি.৮৮১/১৫.০২.০০৫/২০১৬-১৭ দিনাংক ৭ জুলাই,২০১৬ উনুকিয়াই যেন। ভাৰত চৰকাৰে তেওঁলোকৰ অফিচ মেমোৰেণ্ডম (অ এম) নং এফ.নং১/১/০৪/২০১৬এনএছ.টু দিনাংক ২৯ ছেপ্টেম্বৰ,২০১৬ আৰু অধিসূচনা নং৫(৪)-বি (পিডি)/২০১৬ দিনাংক ৩ অক্টোবৰ,২০১৬ যোগে ২০১৬-১৭ বিত্তীয় বৰ্ষৰ তৃতীয় ত্ৰিমাসৰ বাবে বিভিন্ন ক্ষুদ্ৰ সঞ্চয় আঁচনিৰ ওপৰত সংশোধিত সুদৰ হাৰৰ পৰামৰ্শ দিয়ে।

২. এই চাৰ্কুলাৰ বিষয়ৰ সন্দৰ্ভত যাৱতীয় কাৰ্যব্যৱস্থাৰ বাবে চৰকাৰী ক্ষুদ্ৰ সঞ্চয আঁচনিসমূহ পৰিচালনা কৰা আপোনাৰ বেংকৰ শাখাসমূহৰ দৃষ্টিগোচৰ কৰিবলৈ জনোৱা হ'ল। এই আঁচনিসমূহৰ গ্ৰাহকসকলৰ জ্ঞাতাৰ্থে আপোনাৰ শাখাসমূহৰ নটিছ বোৰ্ডত প্ৰদৰ্শন কৰিবও লাগিব।

আপোনাৰ বিশ্বাসী

(ভি. এছ. প্ৰাজিছ)
সহকাৰী মহা প্ৰৱন্ধক

সংলগ্ন – ওপৰত উল্লেখিত মতে।